# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-02-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

ৰাজ্যৰ বিনিয়োগ আৰু আন্তঃগাঁথনি উন্নয়ন সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় জ্যেষ্ঠ নেতাক সাক্ষাৎ কৰি এই সন্মিলনৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। নামৰূপত চৰকাৰে ইউৰিয়া প্ৰকল্প স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। ৰাজ্যখনৰ উন্নয়নৰ যাত্ৰাক এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। সমাগত এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণ তথা ঝুমুইৰ বিনন্দীয়া অনুষ্ঠান সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ পৰা মূল্যৱান পৰামৰ্শ লাভ কৰা বুলিও তেওঁ সদৰি কৰে। ড০ শৰ্মাই আজিৰ দিনটোতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰে। এই বৈঠকতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে এডভাণ্টেজ আছাম সন্মিলনৰ সামৰণি অধিৱেশনত অধ্যক্ষতা কৰিবলৈ সন্মতি প্ৰদান কৰে। ড০ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতেও এখন বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এই বৈঠক অতি ফলপ্ৰসূ হোৱা বুলি প্ৰকাশ কৰি কয়, যে এডভাণ্টেজ আছামৰ এখন বৈঠকত অধ্যক্ষতা কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী হৰদ্বীপ সিং পুৰীৰ সৈতেও এডভাণ্টেজ আছাম সন্দৰ্ভত আলোচনাত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাও উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰে পৰা বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা হৈছে। অৱশ্যে এইবাৰ সৰস্বতী পূজাৰ তিথি দুদিনীয়া হোৱাৰ বাবে কোনো কোনো অঞ্চলত কালি সৰস্বতী পূজা পালন কৰা হয়। অৱশ্যে ৰাজ্যৰ বেছি সংখ্যক শিক্ষানুষ্ঠানত আজি উলহ-মালহেৰে ধৰ্মীয় ৰীতি-নীতিৰে সৰস্বতী পূজা উদযাপন কৰা হৈছে। সৰস্বতী পূজা উপলক্ষে আজি ছাত্ৰ-ছাত্ৰীসকলে নানাৰঙী সাজ-পোছাক পৰিধান কৰি দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠান প্ৰতিষ্ঠান আদিত পূজা উপলক্ষে মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সৰস্বতী পূজা উপলক্ষে বাগ দেৱী আই সৰস্বতীৰ আশীষেৰে শিক্ষাৰ্থী তথা আটাইকে জ্ঞান আৰু প্ৰজ্ঞাৰে শক্তিৱন্ত কৰি তোলাৰ লগতে সমাজৰ অজ্ঞান আন্ধাৰ নাশিবলৈ বীণাপানিয়ে সকলোৰে জীৱন জ্ঞানৰ পোহৰেৰে উদ্ভাসিত কৰাৰ আশা কৰি জনসাধাৰণলৈ  শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পাণবাৰী সংৰক্ষিত বনাঞ্চল দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। ৰাষ্ট্ৰীয় উদ্যানৰ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত আমবাৰী সংৰক্ষিত বনাঞ্চললৈ বিভিন্ন পক্ষীৰ আগমন হয়। এই বনাঞ্চল বিভিন্ন পক্ষীৰ সুৰক্ষিত আবাসভূমি হিচাপে বিবেচিত হৈ আহিছে। ৰাষ্ট্ৰীয় উদ্যানখনত পক্ষী

পৰ্যটনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। উদ্যান কৰ্তৃপক্ষই পৰ্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বনাঞ্চলখনত নিৰীক্ষণ চূড়াৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে এই পাণবাৰী সংৰক্ষিত বনাঞ্চল দীৰ্ঘ বিৰতিৰ পাছত দৰ্শকৰ বাবে পুনৰ মুকলি কৰা হ'ব।

ooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলাত আজি বসন্ত পঞ্চমী উপলক্ষে দিনৰ ১২ বজালৈকে ১ কোটি ২৫ লাখৰো অধিক ভক্তই স্নান কৰে। ত্ৰিবেণী সংগম ঘাটত মহাকুম্ভ মেলাৰ এইটো হৈছে তৃতীয়টো অমৃত স্নান। এই স্নানক মহাকুম্ভ মেলাৰ আটাইতকৈ পৱিত্ৰ হিচাপে গণ্য কৰা হয়। জনসাধাৰণে লগতে পুৱাৰ ভাগত গংগা আৰতি কৰে। মহাকুম্ভ মেলাৰ পৱিত্ৰ স্থানৰ ভিতৰত মকৰ সংক্ৰান্তিৰ দিনা অৰ্থাৎ ১৪ জানুৱাৰীত আৰু ২৯ জানুৱাৰীত মৌনী অমাৱস্যাৰ দিনা কোটি কোটি লোকে পৱিত্ৰ স্নান কৰে। বিশ্বৰ সৰ্বাধিক ধৰ্মীয় জনসমাবেশ হিচাপে পৰিগণিত হোৱা এই মহাকুম্ভ মেলাত বৰ্তমানলৈ ৩৬ কোটিৰো অধিক লোকে পৱিত্ৰ স্নান কৰে।

ooooo

শিক্ষা মন্ত্ৰী ৰণোজ পেগু আজি বিদ্যালয় শিক্ষা বিভাগ, উচ্চ শিক্ষা বিভাগকে ধৰি শিক্ষা খণ্ডৰ কেইবাটাও বিভাগৰ সৈতে এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটৰ সম্প্ৰসাৰণ সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে সদৰি কৰা অনুসৰি বৈঠকত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট প্ৰস্তাৱ সন্দৰ্ভতো আলোচনা কৰা হয়।

ooooo

ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত আয়োজিত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ অংশ হিচাপে আজিৰে পৰা বৰপেটা জিলা পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে। বৰপেটা পৌৰসভাৰ খেলপথাৰত আজি জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই এই প্ৰতিযোগিতা মুকলি কৰে। এই অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন সাঁতোৰবিদ এলভিছ আলি হাজৰিকা উপস্থিত থাকে। অনুষ্ঠানত খেলুৱৈগৰাকীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৰ্তমান ৰাজ্যত ক্ৰীড়া ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি মন্তব্য কৰে। ইয়াৰ ফলত ৰাজ্যৰ খেলুৱৈসকলে ভালেমান সা-সুবিধা লাভ কৰি ৰাজ্যখনলৈ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে বুলি প্ৰকাশ কৰে। এই প্ৰতিযোগিতাত জিলাখনৰ বৰপেটা, চেঙা, পাকা বেতবাৰী, ভৱানীপুৰ, সৰভোগ আৰু মন্দিয়া সমষ্টি পৰ্যায়ৰ এহেজাৰ ৪৮ গৰাকী প্ৰতিযোগিয়ে অংশ লৈছে।

গোলাঘাট জিলাত পৰহিলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হ'ব। এই উপলক্ষে সেইদিনা পুৱা জিলাখনৰ চেলেংগী খেলপথাৰত উদ্বোধনী কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত জিলা আয়ুক্তকে ধৰি জিলাৰ বিভিন্ন বিভাগৰ সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকিব। প্ৰতিযোগিতাৰ প্ৰথম দিনা এথলেটিকছ, দবা, ফুটবল আৰু কাবাদী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত